**3 SEM TDC ASM M 2**

**2 0 1 2**

( November )

# ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমীয়া কবিতাৰ ইতিহাসক কেইটা যুগত ভাগ কৰিব পাৰি? প্ৰতিটো যুগৰে চমু পৰিচয় দাঙি ধৰাঁ। ৪+১২=১৬

অথবা

(খ) 'অসমীয়া ৰোমাণ্টিক কবিতাৰ গতি-প্ৰকৃতি' অথবা 'যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা'—এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱাঁ। ১৬

*( Turn Over )*

২। (ক) 'মালিতা' বুলিলে কি বুজা? 'মালিতা'ৰ লক্ষণসমূহ কি কি? 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত'ত মালিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ২+৪+৮=১৪

অথবা

(খ) "জুনাসমূহত গ্ৰাম্য জীৱন-যাত্ৰাৰ একোখন নিভাঁজ ছবি মুখৰোচক কথাৰে সজাই-পৰাই তোলা হয়।" কথাষাৰৰ আলমলৈ 'কপাহৰ জুনা'টোৰ এটি আলচ যুগুত কৰাঁ। ১৪

৩। (ক) কবি পৰিচয় দাঙি ধৰি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'তেজীমলা' কবিতাত প্ৰকৃতি আৰু মানৱসমাজৰ মাজত থকা পাৰ্থক্যসমূহ কেনেদৰে পৰিলক্ষিত হৈছে, আলোচনা কৰাঁ। ৪+১০=১৪

অথবা

(খ) মিত্ৰদেৱ মহন্তই অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে চমুকৈ লিখি 'চিৰ চেনেহী মোৰ ভাষা জননী' কবিতাটিত কবিগৰাকীৰ ভাষা জননীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাৰ মনোভাৱ কেনেদৰে প্ৰকাশ পাইছে, সেই সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৪+১০=১৪

৪। (ক) নীলমণি ফুকনৰ 'মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি' কবিতাটিত সমাজৰ দাৰিদ্ৰক্লিষ্ট শ্ৰেণীটোৰ জীৱন-সংগ্ৰামৰ ছবিখন কেনেদৰে চিত্ৰিত হৈছে, বৰ্ণনা কৰাঁ। ১২

অথবা

(খ) 'ইয়াত নদী আছিল' কবিতাটোৰ যি কোনো দুটা চিত্ৰকল্পৰ অৰ্থ উদ্ধাৰ কৰি কবিতাটোৰ মাজেদি প্ৰকাশ পোৱা কবিৰ বক্তব্য ফঁহিয়াই দেখুওৱাঁ।





৫। উত্তৰ লিখাঁ (যি কোনো দুটা) : ৬×২=১২

(ক) "বিষম সংকট আসি দুৰ্গমৰ থান
দেখি চিন্তাক্লিষ্ট ভৈলা বীৰ হনুমান।"

এই 'দুৰ্গম থান'খন কি? কবিতাটিত দুৰ্গম ঠাইখনৰ বৰ্ণনা কেনেদৰে দাঙি ধৰা হৈছে? ১+৫=৬

(খ) "সহস্ৰ নয়ন অংগে দিলেক প্ৰবন্ধে
কণ্ঠে পাৰিজাত মালা ঐৰাৱত কন্ধে।"

'ঐৰাৱত'ৰ কান্ধত উঠি থকা দেৱতাজন কোন? চিত্ৰলেখাই অংকন কৰা দেৱতাজনৰ চিত্ৰখনৰ বিষয়ে চমু বিৱৰণ দাঙি ধৰাঁ। ১+৫=৬

(গ) "একেলগে আমি তেজেৰে বোলাম
কালসাপ যেন বেণী
এতিয়া
চুলি নাবান্ধিবা, যাজ্ঞসেনী।"

উল্লিখিত পংক্তিত 'যাজ্ঞসেনী'ক কিহৰ প্ৰতীকৰূপে দাঙি ধৰা হৈছে? কবিতাটিত থকা পৌৰাণিক প্ৰসংগকেইটি বাচি উলিওৱাঁ। ১+৫=৬

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৪

(ক) মাধৱদেৱৰ দাস্যভক্তি

(খ) কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাত জাতীয় চেতনা

(গ) ৰহস্যবাদী কবিতাৰ লক্ষণ

৭। অতি চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) মাধৱ কন্দলি কোন যুগৰ কবি ?

(খ) ‘‘যমুনাৰ তীৰে কদম তৰু তলে’’—কাব্যাংশটি ‘শ্ৰীকৃষ্ণকীৰ্তন’ৰ কোনটো খণ্ডৰ পৰা তুলি অনা হৈছে ?

(গ) ‘চাহাপৰী’ উপাখ্যানৰ আন এটা নাম কি ?

(ঘ) চিত্ৰলেখাই চিত্ৰপট নিৰ্মাণৰ দক্ষতাৰ বাবে কোন দেৱতাৰ পৰা বৰ লাভ কৰিছিল ?

(ঙ) দ্বিজৰাম কোন শতিকাৰ কবি ?

(চ) ‘গীতি শতদল’ পুথিখন কাৰ ৰচনা ?

(ছ) কমলাকান্ত ভট্টাচাৰ্যৰ এখন কবিতা-পুথিৰ নাম লিখাঁ।

(জ) হৰেকৃষ্ণ ডেকাই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(ঝ) ‘কাঠমিস্ত্ৰীৰ ঘৰ’ কবিতাটিৰ কবিজনৰ নাম লিখাঁ।

(ঞ) ‘সুবাসিত যি যন্ত্ৰণা’ কাব্যপুথিখনৰ ৰচক কোন ?

★★★